**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-9-2026
**Time :** 0755 AM

***Assamese Morning Bulletin***

---

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ২৫ গৰাকী প্ৰাৰ্থীয়ে ৩৫ খন মনোনয়ন দাখিল কৰিছে। মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীসকলে পৰহিলৈৰ ভিতৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। মনোনয়ন দাখিল কৰা প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ দেৱাশীষ শৰ্মা, কংগ্ৰেছৰ শিৰামণি বৰা, এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমল আৰু তৃণমূল কংগ্ৰেছৰ আব্দুল চালাম অন্যতম। মনোনয়ন পত্ৰ দাখিলৰ কালি অন্তিম দিনা বিজেপিৰ প্ৰাৰ্থী দেৱাশীষ শৰ্মাই দলীয় নেতা-কৰ্মীক লগত লৈ নগাঁও জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে। বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ সৈতে মনোনয়ন পত্ৰ দাখিল পৰ্বত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি শীৰ্ষ নেতৃবৰ্গই অংশগ্ৰহণ কৰে।

কংগ্ৰেছ প্ৰাৰ্থী শিৰামণি বৰাই নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সমদলেৰে জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়লৈ গৈ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিল পৰ্বত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, সাংসদ ৰকিবুল হুছেইনসহ দলটোৰ কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকে। কংগ্ৰেছৰ সভাপতিগৰাকীয়ে এই নিৰ্বাচনক লৈ আশাবাদী বুলি প্ৰকাশ কৰে।

এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলেও ধিং গে'টত থকা নগাঁও জিলা কাৰ্যালয়ৰ পৰা দলীয় সমৰ্থক আৰু কৰ্মকৰ্তাসকলক লৈ মনোনয়ন দাখিল কৰে। দলটোৰ সাধাৰণ সম্পাদক হাফিজ ৰচিৰ আহমেদ, দলৰ আটাইকেইগৰাকী বিধায়ক-প্ৰাক্তন বিধায়কে আজমলক সংগ দিয়ে। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ছালামে মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্দিয়াৰ বিধায়ক চেৰমান আলী আহমেদ উপস্থিত থাকে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০০

ৰাজ্যৰ ৩৩ খন জিলাত লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ হৈছে। বান ক্ষতিগ্ৰস্ত চৰাইদেউ আৰু শিৱসাগৰ জিলাত কাইলৈ লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ হ'ব। জিলা দুখনত মাহজোৰা কাৰ্যসূচীৰে এই প্ৰক্ৰিয়া চলিব। চৰাইদেউ আৰু শিৱসাগৰ জিলাত বানৰ পৰিপ্ৰেক্ষিতত লোকপিয়লৰ কাম সাময়িকভাৱে স্থগিত আছিল। লোকপিয়ল সঞ্চালকালয়ে বান পৰিস্থিতি উন্নত হোৱাৰ পাছত জিলা দুখনত লোকপিয়লৰ কাম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰথম পৰ্যায়ত গণনাকাৰী সকলে ঘৰে ঘৰে গৈ গৃহ তালিকা প্ৰস্তুত আৰু গৃহ গণনা প্ৰক্ৰিয়া সম্পন্ন কৰিব।

০০০০০০

ৰাজ্যৰ চৰকাৰী আৰু প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে মাচুল ৰেহাই আঁচনি, নিযুত মইনা আৰু নিযুত বাবু আঁচনিকে ধৰি বিভিন্ন আঁচনি আৰু জনপানীৰ সুবিধা লাভ কৰিবলৈ হ'লে শিক্ষানুষ্ঠানত কমেও ৭০ শতাংশ উপস্থিতি বাধ্যতামূলক হ'ব। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি গুৱাহাটীত অনুসূচীত জনজাতিৰ বাবে ঘোষিত মেট্ৰিকোত্তৰ জলপানী বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰি এই কথা ঘোষণা কৰে। তেওঁ কয়, যে যিসকল শিক্ষাৰ্থীয়ে উপস্থিতিৰ প্ৰয়োজনীয় হাৰ স্পৰ্শ কৰাত ব্যৰ্থ হ'ব তেওঁলোকৰ নাম সংশ্লিষ্ট আঁচনিৰ

পৰা কৰ্তন কৰা হ'ব। এই নিয়ম মাচুল ৰেহাই, নিযুত মইনা, নিযুত বাবু আঁচনিৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য হ'ব বুলি মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে।

(বাইট ঃ পেগু)

অৱশ্যে তেওঁ কয়, যে প্ৰাকৃতিক দুৰ্যোগ, স্বাস্থ্যজনিত পৰিস্থিতি বা পৰিয়ালৰ কাৰোবাৰ বিয়োগৰ দৰে বিশেষ পৰিস্থিতিত অধ্যক্ষসকলক উপস্থিতিৰ ক্ষেত্ৰত ৰেহাই দিয়াৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। বেকলগ থকা শিক্ষাৰ্থীসকলো ৫০ শতাংশ মাচুল ৰেহাইৰ বাবে যোগ্য থৈ থাকিহ বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অহা ২৯ নৱেম্বৰত হ'বলগীয়া বিশ্ববৰেণ্য শিল্পী ডঃ ভূপেন হাজৰিকাৰ শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। তেওঁ সাংস্কৃতিক পৰিক্ৰমা, পৰ্যটন, তথ্য আৰু জনসংযোগ বিভাগক এই বিষয়ত প্ৰয়োজনীয় নিৰ্দেশনা আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে কয়, যে এই অনুষ্ঠানত সুধাকণ্ঠৰ অনন্য সৃষ্টিশীলতা আৰু কালজয়ী শিল্পীসত্তাক উদযাপন কৰি বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হ'ব। শিল্পীগৰাকীৰ জীৱন আৰু অৱদানক আলোকপাত কৰা প্ৰদৰ্শনী আৰু স্মাৰক কাৰ্যসূচীও অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত **জুবিন মনন** শীৰ্ষক জুবিন গাৰ্গ বিষয়ক এটি দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিগন্ত ভাৰতী, জুবিন গাৰ্গৰ ভগ্নী পামি বৰঠাকুৰ আৰু আকাশবাণীৰ ঘোষক তথা জনপ্ৰিয় কণ্ঠশিল্পী মনদীপ মহন্তই অংশ ল'ব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

**সমাপ্ত**